ৰাজনীতি

বিজেপিৰ ধর্ম হিন্দুত্ব, সনাতন ধর্ম নহয়: দিগ্বিজয় সিং

কংগ্রেছ নেতা দিগ্বিজয় সিঙে বিজেপিৰ আদর্শক হিন্দুত্ব বুলি অভিহিত কৰি অভিযোগ কৰে যে ই ঘৃণা বিয়পায়।

প্রকাশ: ৬ নৱেম্বৰ ২০২৬, আবেলি ৪:১০



(Social media)

কংগ্রেছৰ জ্যেষ্ঠ নেতা দিগ্বিজয় সিঙে ভাৰতীয় জনতা পার্টি (বিজেপি)ক পুনৰ সমালোচনা কৰি দলটোৰ আদর্শক লৈ প্রশ্ন উত্থাপন কৰিছে। তেওঁৰ দাবী, বিজেপিৰ ধর্ম সনাতন নহয়, হিন্দুত্ব। লগতে তেওঁ অভিযোগ কৰে যে হিন্দুত্বই ঘৃণা বিয়পায়, হিন্দু ধর্মক প্রতিনিধিত্ব নকৰে।

৬ নৱেম্বৰত মধ্যপ্রদেশৰ গুনা জিলাত ‘সত্য সনাতন স্বাভিমান যাত্রা’ৰ সময়ত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত দিগ্বিজয় সিঙে এই মন্তব্য কৰে। উজ্জয়িনীৰ পৰা উত্তৰ প্রদেশৰ অযোধ্যালৈ এই যাত্রা চলাই আছে কংগ্রেছ নেতাগৰাকীয়ে।

দিগ্বিজয় সিঙে কয় যে তেওঁ সনাতন ধর্মৰ বিষয়ে প্রশ্ন উত্থাপন কৰাৰ পিছতহে বিজেপিয়ে সনাতন ধর্মৰ কথা ক’বলৈ আৰম্ভ কৰিছে। তেওঁৰ মতে, সনাতন ধর্মই সকলো ধর্মৰ প্রতি সন্মান আৰু সমগ্র বিশ্বৰ কল্যাণৰ কথা কয়।

তেওঁ অভিযোগ কৰে যে ৰাষ্ট্রীয় স্বয়ংসেৱক সংঘ (আৰ এছ এছ) আৰু বিশ্ব হিন্দু পৰিষদৰ (ভিএইচপি) আদর্শই ঘৃণা বিয়পায়। লগতে তেওঁ বিনায়ক দামোদৰ ছাভাৰকাৰৰ বক্তব্যৰ উল্লেখ কৰি কয় যে ছাভাৰকাৰেও হিন্দুত্বৰ

সৈতে ধর্মৰ সম্পর্ক নাই বুলি কৈছিল।

ইফালে, কংগ্রেছ নেতা উদিত ৰাজেও হিন্দুত্বক লৈ বিজেপি আৰু আৰ এছ্ এছ্ক সমালোচনা কৰে। তেওঁ ছাভাৰকাৰৰ হিন্দুত্বৰ সংজ্ঞাত ‘পুণ্যভূমি’ আৰু ‘জন্মভূমি’ৰ ধাৰণাৰ উল্লেখ কৰি কয় যে এনে ধাৰণাই মানুহৰ মাজত বিভাজন সৃষ্টি কৰে।

উদিত ৰাজে ভাৰতৰ স্বাধীনতা সংগ্রামত বিভিন্ন ধর্মীয় সম্প্রদায়ৰ লোকৰ অৱদানৰ কথাও উল্লেখ কৰে। তেওঁৰ মতে, হিন্দুত্বৰ নামত বিভাজনৰ ৰাজনীতি কৰা হৈছে।

দিগ্বিজয় সিঙৰ মন্তব্যই হিন্দুত্ব আৰু সনাতন ধর্মৰ মাজৰ পার্থক্যক লৈ নতুন ৰাজনৈতিক বিতর্কৰ সৃষ্টি কৰিছে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/941/digvijay-singh-targets-bjp-over-hindutva-remarks